[গ]

# সংস্কৃতিৰ বৈশিষ্ট্য ঃ

(ক) মানৱ-অভিজ্ঞতাত সংস্কৃতি বিশ্বজনীন; তথাপি ইয়াৰ স্থানীয় আৰু আঞ্চলিক ৰূপ লক্ষ্য কৰা যায়।

(খ) সংস্কৃতি স্থবিৰ অথচ ই গতিশীল; অবিচ্ছিন্ন আৰু অবিৰত পৰিবৰ্তন ইয়াত স্পষ্ট।

(গ) সংস্কৃতিয়ে আমাৰ জীৱন-গতি নিৰ্ধাৰণ আৰু ইয়াৰ পৰিপুষ্টিত সকল যোগালেও কেতিয়াবাহে ই আমাৰ সচেতন ভাব-চিন্তাত প্ৰৱেশ লাভ কৰিব পাৰে।[১৫]

সংস্কৃতিৰ এই তিনিটা বৈশিষ্ট্যৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল ঃ

(ক) মানুহ সংস্কৃতি বিশিষ্ট জন্তু (culture-building animal')। জগতৰ সৰ্ব দেশৰ সৰ্ব মানৱৰ ই বিশেষ গুণ। মানুহে পৰিৱেশক জয় কৰি নিত্য-নৈমিত্তিক প্ৰয়োজনীয় কাৰ্য সম্পাদন কৰি জীয়াই থাকে। কৃষি আৰু বিতৰণ ব্যৱস্থা আদি অৰ্থনৈতিক অৱস্থা সৰ্ব সংস্কৃতিত বিৰাজমান। পৰিয়াল আদি অনুষ্ঠান, জ্ঞাতিত্বৰ সংযুক্তি, তেজৰ সম্পৰ্কৰ বাহিৰত গঢ়ি উঠা সামাজিক সম্পৰ্ক, ৰাজনৈতিক নিয়ন্ত্ৰণ আদি আচৰণ সৰ্ব সংস্কৃতিৰেই স্বাভাৱিক ব্যাপাৰ। মানৱ মাত্ৰেই জীৱন-দৰ্শন অৰ্থাৎ ধৰ্মীয় ব্যৱস্থাৰ ওপৰত গভীৰ বিশ্বাস স্থাপন কৰি আহিছে। গীত, নৃত্য, পৰম্পৰাগত কাহিনী কথন, আবেগীকলা, সুনমা কলা, পৰিবেশ্য কলাৰীতি আদিয়ে সৰ্ব সংস্কৃতিৰ মানৱৰ নান্দনিক দিশৰ ইংগিত দিয়ে; ভাবক বাস্তৱৰূপ দিবলৈ আছে ভাষা, নৈতিক বা ধৰ্মীয় বিধান পালনৰ প্ৰেৰণা বা উদ্দেশ্য, জীৱনৰ লক্ষ্য আদি সাংস্কৃতিক সকল সৰ্বদেশৰ সৰ্ব সমাজৰ মানৱৰ মাজত বিদ্যমান।

অন্যহাতে অঞ্চলভেদে সাংস্কৃতিক উপাদানৰ মাজত বৈসাদৃশ্যও প্ৰকট নোহোৱাকৈ নাথাকে। প্ৰত্যেক সংস্কৃতিতে পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাস, তথা অতীত আৰু বৰ্তমানৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি বিশেষ এক অঞ্চলৰ সংস্কৃতি গঢ় লৈ উঠে। ঐতিহাসিক উৎস, জীৱন-নিৰ্বাহ-পদ্ধতিৰ লগত থকা পাৰস্পৰিক তুলনা, পুৰাতাত্ত্বিক সাক্ষ্য আদিৰ ওপৰত প্ৰতিষ্ঠিত অতীতক বিচাৰ-বিশ্লেষণ নকৰাকৈ সংস্কৃতিৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰি। গতিকে মানৱ-অস্তিত্বৰ পটভূমিতহে সংস্কৃতিৰ বিশ্বজনীন বৈশিষ্ট্যৰ স্বৰূপ উপলব্ধি কৰিব পাৰি। বিষয়গত প্ৰমাণৰ ফালৰপৰা নিশ্চিতভাৱে ক'ব পাৰি যে, দুখন দেশ বা দুটা অঞ্চলৰ সংস্কৃতিৰ মাজত প্ৰায়ে মিল দেখা নাযায়। স্থান, কাল অনুসৰি সংস্কৃতিয়ে বিকাশ লাভ কৰে। প্ৰত্যেক সংস্কৃতিৰ বিকাশ আৰু অগ্ৰগতি নিজস্ব বৈশিষ্ট্যৰে সমুজ্জ্বল। সংস্কৃতিৰ বিশ্বজনীন বৈশিষ্ট্যই মানৱৰ আচাৰ-ব্যৱহাৰ অনুসৰি স্থানীয় বা আঞ্চলিক ৰূপ লাভ কৰে আৰু এই স্থানীয় বা আঞ্চলিক ৰূপৰ মাজেদিয়েই সংস্কৃতিৰ বিশ্বজনীন বৈশিষ্ট্য প্ৰকাশ পায়।

(খ) সংস্কৃতিৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য হৈছে গতিশীলতা। দেখাত সংস্কৃতি স্থবিৰ যেন লাগে; কিন্তু আমি ক'ব নোৱাৰাকৈয়ে সংস্কৃতিয়ে পৰিবৰ্তনৰ ফালে গতি কৰি থাকে। স্থবিৰ সংস্কৃতি নিষ্প্ৰাণ, মৃত। আমি ক'ব নোৱাৰাকৈয়ে সংস্কৃতিত পৰিবৰ্তনে

---

১৫. M.J. Herskovits, op-cit., p. 306

প্ৰৱেশ কৰে। দহ বছৰ পিছলৈ ঘূৰি চালেই সাংস্কৃতিক পৰিবৰ্তনৰ অনেক উদাহৰণ সংগ্ৰহ কৰিব পাৰি। খোৱা-লোৱা, পিন্ধা-উৰা, ধৰণ-কৰণ আদিত পৰিবৰ্তনৰ প্ৰভাৱ অতিকৈ গভীৰ। নিৰ্দিষ্ট এক কালৰ সীমাৰেখাৰ মাজত কোনো এক ভৌগোলিক অঞ্চলৰ জনসাধাৰণৰ জীৱন-পদ্ধতি বিশ্লেষণ কৰি চালেই তেওঁলোকৰ সাংস্কৃতিক পৰিবৰ্তনৰ স্পষ্ট আভাস পোৱা যায়; আনকি খনন কাৰ্য্যৰ সহায়ত মাটিৰ তলৰপৰা কোনো এটা জাতিৰ সাংস্কৃতিক অৱশেষ উদ্ধাৰ কৰাৰ অনেক প্ৰমাণ আমি দিব পাৰোঁ।

উপৰৰ আলোচনাৰপৰা সহজে প্ৰতীয়মান হ'ব পাৰিযে, সংস্কৃতিত স্থিৰতা আৰু গতিশীলতা উভয় বৈশিষ্ট্যই বৰ্তমান। সাংস্কৃতিক পৰিবৰ্তন সাংস্কৃতিক স্থিৰতাৰ পটভূমিতহে অধ্যয়ন কৰিব পাৰি। সংৰক্ষণশীলতাৰ বিৰুদ্ধে পৰিবৰ্তন সূচিত হোৱাৰ গভীৰতাৰ সংযোগতহে সাংস্কৃতিক স্থিৰতাৰ আভাস পোৱা যায়।[১৬] ইয়াৰ বাহিৰেও স্থিৰতা আৰু গতিশীলতা-উভয় ব্যাপাৰক বিবেচনা কৰিব লাগিব— দুয়োটিকে আগত ৰাখিছে।

সমসাময়িক ভাব-চিন্তাৰ প্ৰতিদৰ্শকৰূপে আমাৰ সভ্যতাৰ ভৌতিক দিশত পৰিবৰ্তন সূচিত হয়। অন্যহাতে নৈতিক-সংহিতা, পাৰিবাৰিক সংযুতি অথবা ৰাজনৈতিক অনুমোদন আদি বিভিন্ন সাংস্কৃতিক দিশতো পৰিবৰ্তন স্পষ্ট হৈ উঠে। পৰিণতি স্বৰূপে কাৰিকৰিক প্ৰগতিৰ ক্ষেত্ৰত এনেদৰে গুৰুত্ব দিয়া হয় যে, এই গুৰুত্বই আমাৰ সাংস্কৃতিক জীৱন সামগ্ৰিকভাবে পৰিবৰ্তন কৰে। কাৰিকৰিক (technological) পৰিবৰ্তন গ্ৰহণ কৰিব পৰা ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি কোনো এক সংস্কৃতি অন্য এক সংস্কৃতিতকৈ বিভিন্নহৈ পৰে, কাৰণ পৰিবৰ্তনৰ তুলনাত সাংস্কৃতিক স্থায়িত্ব যথাসম্ভৱ হ্ৰাসপোৱা স্বাভাবিক।

(গ) সংস্কৃতিৰ আন এটি বৈশিষ্ট্য হৈছে— ই আমাৰ জীৱনক পৰিপূৰ্ণ কৰে তথাপি সংস্কৃতিৰ বিষয়ে আমি সচেতন নহয়। মানুহ হিচাবে আমাৰ কিছুমান মনস্তাত্ত্বিক আৰু দাৰ্শনিক সমস্যা আছে। মানুহে কেনেকৈ নিজৰ সংস্কৃতি শিকিবলৈ প্ৰয়াস কৰে আৰু সমাজৰ অংগীভূত সদস্য হিচাপে কিদৰে ক্ৰিয়া বা কাৰ্য্য সম্পাদন কৰে ইত্যাদি নিশ্চিত ভাবে মনস্তাত্ত্বিক সমস্যা। দ্বিতীয়তে, সংস্কৃতি মানৱ-মনৰ ক্ৰিয়া হয়নে নহয় তাৰ বিচাৰ কৰা বাস্তবিকতে দাৰ্শনিক সমস্যা। সংস্কৃতি মানৱৰ বিশেষ গুণ, ই মানৱ-সমাজতহে সীমিত। ব্যক্তি বিশেষে গ্ৰহণ কৰিব পৰা ক্ষমতাৰ বাহিৰতো সংস্কৃতিৰ সত্তা বৰ্তমান। গতিকে সংস্কৃতিৰ পৰিসৰ ব্যক্তিসত্তাৰ পৰিসৰতকৈও ব্যাপক। অন্যহাতে মনস্তাত্ত্বিক সত্তাৰ বাহিৰে সংস্কৃতিৰ আন দ্বিতীয় সত্তা নাই; মানৱ-মনত নিৰ্মিত অনুবৰ্তিতা ৰূপেহে ই স্থিতি লাভ কৰে। দাৰ্শনিকভাবে যুগ যুগ ধৰি আদৰ্শবাদ আৰু বাস্তৱবাদৰ মাজত নিয়তভাবে সংঘৰ্ষ চলি আছে। এই সংঘৰ্ষই বিশ্বপ্ৰকৃতি আৰু মানৱ সম্পৰ্কীয় ধ্যান-ধাৰণা আৰু বিচাৰ-পদ্ধতিৰ মাজত থকা মৌলিক ত্ৰুটিবোৰ দেখুৱাই দিয়ে। সামগ্ৰিক ভাবে সংস্কৃতিৰ ব্যাখ্যাত উপৰোল্লিখিত উভয় মতৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি।

---

১৬. "Cultural change can be studied only as a part of the Problem of cultural stability; cultural stability can be understood only when change is measured against conservatism."
Melville J. Herskovits, *op-cit.*, P.308